# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-Aug-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। ৰাজ্যৰ ১৮ বছৰ ঊৰ্ধৰ লোকসকলক অক্টোবৰৰ পৰা নতুনকৈ আধাৰকাৰ্ড প্ৰদান কৰা নহ'ব বুলি অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। চিকেন নেক অংশৰ আশে-পাশে থকা লোকসকলৰ ভাৱধাৰা সলনি কৰাৰ বাবে বাংলাদেশৰ পৰা ষড়যন্ত্ৰ চলিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ধেমাজিৰ নন্দিতা শইকীয়াৰ হত্যাৰ গোচৰত ৰিণ্টু শৰ্মাক মৃত্যু দণ্ডৰ শাস্তি।

৪। বিশ্বনাথ জিলাৰ চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা ৪৩৩টা পৰিয়াললৈ জিলা প্ৰশাসনৰ উচ্ছেদৰ জাননী।

*আৰু*

৫। গোলাঘাটৰ নুমলীগড় হাইস্কুল দলৰ চলিত বৰ্ষৰ পিলিক চৌধুৰী সোঁৱৰণী ল'ৰাৰ আন্তঃজিলা স্কুল ফুটবল প্ৰতিযোগিতাৰ খিতাপ লাভ।

০০০০০

ৰাজ্যৰ ১৮ বছৰ ঊৰ্ধৰ লোকসকলক অক্টোবৰৰ পৰা নতুনকৈ আধাৰকাৰ্ড প্ৰদান কৰা নহ'ব। কইনাধৰাত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদমেলযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অনুসূচিত জাতি-জনজাতি আৰু চাহ জনগোষ্ঠীৰ লোকসকলক এই ক্ষেত্ৰত এবছৰৰ বাবে শিথিলতা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আধাৰকাৰ্ড নথকা লোকসকলক ছেপ্তেম্বৰৰ ভিতৰত আবেদন কৰিবলৈ সংবাদমেলত আহ্বান জনায়। ইয়াৰ পাছত অত্যন্ত জৰুৰী হ'লে সাধাৰণ লোকে জিলা আয়ুক্তৰ অনুমতি সাপেক্ষেহে আধাৰকাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব বুলি তেওঁ কয়। ৰাজ্যত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশ ৰোধ কৰাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। কোনো অনুপ্ৰৱেশকাৰীয়ে অসমত আধাৰকাৰ্ডৰ সুবিধা লৈ ভাৰতীয় নাগৰিক হ'ব নোৱাৰে তাৰ বাবে অসম মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে।

**বাইট (চি এম)**

উৰিয়ামঘাটৰ উচ্ছেদিত ১২ হাজাৰ বিঘা ভূমিত গছপুলি ৰোপণ কৰাৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। অসম মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যৰ প্ৰায় ৩ লাখ ১৫ হাজাৰ হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাসগৃহ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভৱিষ্যতৰ ১০টা গুৰুত্বপূৰ্ণ খণ্ডত শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে টাটা নেলকো আৰু সমগ্ৰ শিক্ষা অভিযানৰ সৈতে বুজাবুজিৰ চুক্তিত অনুমোদন জনাইছে। দীঘলীপুখুৰী-নুনমাটি উৰণ সেতুৰ নাম মহাৰাজা **পৃথু উৰণ সেতু** হিচাপে নামকৰণ কৰা হ'ব বুলি মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

সংকটৰ সময়ত ভূ-ৰাজনৈতিক পৰিস্থিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি সংবাদমেলত উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চিকেন নেক অৰ্থাৎ উত্তৰ-পূবক দেশৰ মূল ভূ-খণ্ডৰ সৈতে সংযোগ কৰা উত্তৰ বংগৰ ঠেক অংশৰ আশে-পাশে থকা লোকসকলৰ ভাৱধাৰা সলনি কৰাৰ বাবে বাংলাদেশৰ পৰা ষড়যন্ত্ৰ চলি আছে। অনাগত ২০ বছৰ অসমৰ বাবে জটিল সময় বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই লগতে কেন্দ্ৰীয় মন্ত্ৰীসভাই

গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এম স্থাপনত অনুমোদন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নৱজাতকৰ মৃত্যু সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ঘটনাটো চালিজাৰি চোৱাৰ বাবে এখন তিনিজনীয়া সমিতি গঠন কৰা হৈছে আৰু সমিতিখনে ৪-৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

00000

ধেমাজিৰ জিলা আৰু ছেছন আদালতে আজি মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ হত্যাৰ গোচৰত অপৰাধী ৰিণ্টু শৰ্মাক মৃত্যু দণ্ডৰে দণ্ডিত কৰে। মুঠ ৪১ জন লোকৰ সাক্ষ্যৰ ভিত্তিত ৪ বছৰজোৰা বিচাৰৰ অন্তত জিলা আৰু ছেছন ন্যায়াধীশ কল্যাণজিৎ শইকীয়াই কালি অভিযুক্ত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰে। আজি আদালতে দোষীৰ শাস্তি ঘোষণা কৰে। উল্লেখযোগ্য যে ৰিণ্টু শৰ্মাই ২০২১ চনৰ ২১ আগষ্টত পৰিকল্পিতভাৱে নন্দিতা শইকীয়াক আক্ৰমণ কৰিছিল। পৰৱৰ্তী সময়ত ধেমাজি আৰক্ষীয়ে এই গোচৰ সন্দৰ্ভত ৰিণ্টু শৰ্মাৰ বিৰুদ্ধে ৪০০ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। আদালতে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২, ৩০৭, ৩২৬ আৰু ৩৪৭ নম্বৰ ধাৰাত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰে দণ্ডিত কৰে।

আজিৰ এই ৰায়দান সম্পৰ্কত লখিমপুৰৰ চৰকাৰী অধিবক্তা অজয় ফোগলাই এইদৰে কয়-

**বাইট (অজয় ফোগলা)**

00000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৱেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

00000

বিশ্বনাথ জিলাৰ চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা ৪৩৩টা পৰিয়াললৈ জিলা প্ৰশাসনে উচ্ছেদৰ জাননী জাৰি কৰিছে। পৰিয়ালকেইটাক ১৫ দিনৰ ভিতৰত সেই ঠাই ত্যাগ কৰিবলৈ কোৱা হৈছে। বিহালী সমষ্টিৰ নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ২৬৫ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব।

নগাঁও জিলাৰ জুৰিয়াত অহা ২৩ আগষ্টৰ পৰা উচ্ছেদ অভিযান চলিব। জেঙনি আৰু বলিকটীয়াত প্ৰশাসনে উচ্ছেদ চলাব। উল্লেখযোগ্য যে ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলকৃত ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰিছিল।

00000

ৰাজ্যসভা আৰু লোকসভাৰ কাৰ্যক্ৰমণিকা আজি অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়। ইয়াৰ লগে লগে যোৱা ২১ জুলাইত আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিবেশনৰো সামৰণি পৰে। অধিবেশনৰ সামৰণিৰ পাছত সংসদ ভৱন চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে সংসদৰ বৰ্ষাকালীন অধিবেশন দেশ আৰু চৰকাৰৰ বাবে যথেষ্ট ফলপ্ৰসূ ৰূপে পৰিগণিত হয় যদিও ভালেসংখ্যক নতুন সাংসদে সদনত বক্তব্য ৰখাৰ সুযোগ লাভ নকৰে। ইয়াৰ বাবে বিৰোধী পক্ষ দায়ী বুলি মন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে। তেওঁ কয় যে

বিৰোধী পক্ষই সদনৰ কাম-কাজ বাৰে বাৰে বিঘ্নিত কৰে আৰু নিৰ্ধাৰিত আলোচনাত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাক অভিনন্দন জনোৱাৰ সুযোগ নিদিয়াৰ বাবে শ্ৰীৰিজিজুৱে বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে প্ৰতিবাদ সাব্যস্ত কৰা আৰু মতানৈক্য প্ৰকাশ কৰাটো অভিব্যক্তি প্ৰকাশৰ গণতান্ত্ৰিক পদ্ধতি যদিও সংসদত চৰকাৰৰ কাম কৰাত বাধা প্ৰদান কৰাটো অগণতান্ত্ৰিক। বৰ্ষাকালীন অধিবেশনৰ সময়ছোৱাত লোকসভাত কৰ্মসম্পাদনৰ হাৰ ৩১ আৰু ৰাজ্যসভাত ৩৯ শতাংশ আছিল। এই অধিবেশনত লোকসভাত ১৪খন বিধেয়ক উত্থাপন আৰু ইয়াৰ ১২খন গৃহীত হয়।

একেদৰে ৰাজ্যসভাই অধিবেশনৰ সময়ছোৱাত ১৫খন বিধেয়ক গ্ৰহণ কৰে।

ooooo

তেজপুৰস্থিত শোণিতপুৰ জিলা আদালত প্ৰাঙ্গনত অহা ১৩ ছেপ্তেম্বৰত বিশেষ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আয়োজিত এই লোক আদালতত মটৰ দুৰ্ঘটনা গোচৰ, দেৱানী গোচৰ, যান-বাহন আৰু আবকাৰি গোচৰ, আপোচযোগ্য ফৌজদাৰী গোচৰৰ উপৰি বকেয়া ধন, ভূমি অধিগ্ৰহণ, ১০৭ ধাৰা, বেংক ঋণ, বি এচ এন এল, বিদ্যুৎ বিল, শ্ৰমিক সম্পৰ্কীয় আইনী ব্যৱস্থাৰ মাজলৈ নোযোৱাকৈ মীমাংসা কৰিব পৰা গোচৰ নিষ্পত্তি কৰা হ'ব। প্ৰাধিকৰণে লোক আদালতত অংশগ্ৰহণ কৰিবলৈ জিলাবাসীক আহ্বান জনাইছে।

ooooo

তামুলপুৰ জিলাৰ ঔগুৰি আৰু কাৰিপাৰা গাঁৱত আফ্ৰিকান ছোৱাইন ফেভাৰৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে গাহৰি নিধনৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ এই গাঁও দুখনত গাহৰিৰ দেহত এই ৰোগ ধৰা পৰাৰ পাছত তামুলপুৰ মহকুমাৰ পশুপালন আৰু পশু চিকিৎসা বিষয়াই সংক্ৰমিত অঞ্চলৰ গাহৰি নিধনৰ অনুমতি বিচাৰে। এই অনুসৰি জিলা আয়ুক্তই ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত নিৰ্দেশ জাৰি কৰিছে। গাঁও দুখনৰ ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা অঞ্চলৰ গাহৰিসমূহ নিধন কৰিবলৈ আয়ুক্তই নিৰ্দেশ দিছে। তদুপৰি সংক্ৰমিত অঞ্চলসমূহৰ পৰা গাহৰি আৰু ইয়াৰ মাংসৰ সৰবৰাহ নিষিদ্ধ ঘোষণা কৰা হৈছে। মৃত গাহৰি মুকলি ঠাই, ডাষ্টবিন, নৈ, পুখুৰী আদিত পেলোৱাটো নিষেধাজ্ঞা জাৰি কৰা হৈছে। জিলাখনৰ গাহৰি পালকসকলক সজাগ হোৱাৰ লগতে পৰিস্কাৰ-পৰিচ্ছন্নতাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগে যথেষ্ট পৰিমাণে চূণ, ব্লিচিং পাউদাৰ আদি যোগান ধৰিব বুলিও প্ৰকাশ কৰিছে।

ooooo

চাহ বাগিচাৰ শ্ৰমিকসকলে অহা ১০ ছেপ্তেম্বৰৰ ভিতৰত দুৰ্গা পূজাৰ বানছ লাভ কৰিব লাগিব বুলি কাছাৰ জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। কাছাৰ জিলা আয়ুক্ত মৃদুল যাদৱৰ নেতৃত্বত আজি অনুষ্ঠিত এখন সভাত এই সন্দৰ্ভত নিৰ্দেশ দিয়া হৈছে। বাগিচাসমূহৰ কৰ্তৃপক্ষই অহা ৩১ আগষ্টৰ ভিতৰত বানছ ঘোষণা কৰিব লাগিব বুলি জিলা প্ৰশাসনে নিৰ্দেশ দিছে। ঘোষিত বানছ যোৱা বছৰৰ তুলনাত কম হ'ব নোৱাৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে সভাত স্পষ্ট কৰি দিয়ে। চাহ শ্ৰমিকসকলে সময়মতে কোনো সমস্যা নোহোৱাকৈ বানছ লাভ কৰিবলৈ সকলো পক্ষকে একেলগে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে সভাত বানছ বিতৰণৰ লগতে আইন শৃংখলা বজাই ৰাখিবলৈ প্ৰশাসন আৰু আৰক্ষীক বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত প্ৰশাসনৰ লগতে আৰক্ষী, বেংক, শ্ৰম বিভাগ আৰু  চাহ শ্ৰমিক সংগঠনৰ প্ৰতিনিধিও উপস্থিত থাকে।

ooooo

নগাঁও জিলাৰ বিভিন্ন ব্যক্তিৰ পৰা অধিক মুনাফা দিয়াৰ প্ৰতিশ্ৰুতিৰে বিত্তীয় প্ৰৱঞ্চনাৰ সৈতে জড়িত থকাৰ অভিযোগত অসম আৰক্ষীয়ে কালি দক্ষিণ দিল্লীত অনিৰ্বাণ দেউৰী নামৰ এজন লোকক আটক কৰে। ধৃত লোকজনে অনলাইন ট্ৰেডিঙৰ জৰিয়তে প্ৰায় ৮০ কোটি টকা আত্মসাৎ কৰি যোৱা দুমাহ ধৰি পলাতক হৈ আছিল। নগাঁও সদৰ

আৰক্ষী থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আৰক্ষীৰ এটা দলে অনিৰ্বাণ দেউৰীক আটক কৰে। আৰক্ষীয়ে যোৱা নিশা দিল্লীৰ পৰা বিমানযোগে গুৱাহাটীলৈ অনাৰ পাছত অনিৰ্বাণ দেউৰীক আজি নগাঁও সদৰ থানাত হাজিৰ কৰোৱা হয়। নগাঁও আৰক্ষীয়ে অনিৰ্বাণৰ সহযোগী কাশ্যপ ফুকনকো প্ৰৱঞ্চনাৰ গোচৰত আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে বিগদত বৰ্ষৰ দৰে এইবাৰো সমগ্ৰ দেশৰ কৃষিভূমিৰ জৰীপ চলাবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে যোৰহাট জিলাত জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ উদ্যোগত ১৬ আগষ্টৰ পৰা ডিজিটেল শস্য জৰীপ, খাৰিফ-২০২৫ আৰম্ভ হৈছে। ইয়াৰ অধীনত আজি উত্তৰ-পশ্চিম যোৰহাটত জৰীপ চলোৱা হয়।

ডিজিটেল শস্য জৰীপ খাৰিফ-২০২৫ৰ জৰিয়তে কৃষকসকলৰ সামগ্ৰিক কল্যাণৰ উদ্দেশ্যে প্ৰযুক্তি ব্যৱস্থাৰ জৰিয়তে কৰা কৃষিজাত শস্যৰ তথ্য সংগ্ৰহৰ দিহা কৰা হৈছে। শস্য উৎপাদনৰ সঠিক তথ্যৰ পূৰ্বানুমান আৰু উন্নত পৰিকল্পনা, সংগৃহীত তথ্যৰ ভিত্তিত কৃষি নীতি প্ৰস্তুত কৰা জলসিঞ্চন আৰু শস্য উৎপাদন সম্পৰ্কীয় বিভিন্ন সিদ্ধান্ত গ্ৰহণত এই জৰীপ ব্যৱস্থাই  সহায় কৰিব।

ooooo

পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি সামৰণি সন্ধিয়া নাট্যকাৰ সপোনজ্যোতি ঠাকুৰৰ ৰচনা আৰু সীমান্ত ফুকনৰ পৰিচালনাৰে ডেৰগাঁৱৰ নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীয়ে **চন্দ্ৰপ্ৰভা** নাটখন মঞ্চস্থ কৰিছে। বিয়লি ৫ বজাত নাটকখনৰ প্ৰথম দৰ্শনী হৈছে আৰু সন্ধিয়া চাৰে ৭ বজাত দ্বিতীয় দৰ্শনীৰ নাট মঞ্চস্থ হ'ব।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত কালি কৰুণা ডেকা ৰচিত আৰু গুণাকৰ দেৱ গোস্বামী পৰিচালিত নাট **অম্বিকাগিৰী অনিৰ্বাপিত একুৰা জুই** মঞ্চস্থ কৰা হয়। গুৱাহাটীৰ পূৰ্বৰংগ গোষ্ঠীয়ে পৰিবেশন কৰা এই নাটখনত স্বাধীনতা সংগ্ৰামীৰূপে অম্বিকাগিৰি ৰায়চৌধুৰীৰ বিপ্লৱী চেতনা আৰু  বীৰগাথাক সুন্দৰভাৱে মঞ্চস্থ কৰা হয়। কালিৰ নাট্যনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নৃত্যাচাৰ্য্য যতীন গোস্বামীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অসম বিশ্ববিদ্যালয়ত আজি প্ৰশাসন আৰু ৰাজভাষা হিন্দী শীৰ্ষক এখন হিন্দী কৰ্মশালাৰ আয়োজন কৰা হয়। বিশ্ববিদ্যালয়খনৰ প্ৰশাসনিক কামত হিন্দী ভাষাৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লগতে ৰাজভাষা নীতিৰ ফলপ্ৰসূ ৰূপায়ণৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ ৰাজীৱ মোহন পণ্টই কৰ্মশালাখন উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ ৰাজভাষা কোষৰ উদ্যোগত আয়োজিত এই কৰ্মশালাত শিক্ষানুষ্ঠানখনৰ নৱনিযুক্ত বিষয়া-কৰ্মচাৰীসকলে অংশ লয়।

ooooo

ৰাজ্যৰ সমাজ কল্যাণ বিভাগৰ সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয়ৰ উদ্যোগত তথা বেচৰকাৰী সামাজিক অনুষ্ঠান কোছেডাৰ সহযোগত আজি কামৰূপ জিলাত নিচামুক্ত অভিযানৰ অধীনত প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ ৯১গৰাকী স্বেচ্ছাসেৱকৰ লগতে কামৰূপ মহানগৰ, দৰং, গোৱালপাৰা আৰু নলবাৰী জিলাৰ ৪ শতাধিক স্বেচ্ছাসেৱকক নিচামুক্ত অভিযানৰ অধীনত বিশেষ প্ৰশিক্ষণ দিয়া হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনত অনুষ্ঠিত এই কাৰ্যসূচীত ডাঃ অংশুমান কলিতা আৰু ডাঃ সন্দীপ হান্সে অংশগ্ৰহণ কৰে। তেওঁলোকে মাদক দ্ৰব্যই সমাজত পেলোৱা বিৰূপ প্ৰভাৱ সম্পৰ্কে প্ৰশিক্ষণকাৰীসকলক অৱগত কৰায়।

ooooo

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত এই চতুৰ্থ স্তম্ভৰ লগতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি ? বা সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি অহা শনিবাৰ-২৩ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব একালত সক্ৰিয় সাংবাদিকতাত জড়িত কেইগৰাকীমান বিশিষ্ট সাংবাদিকক।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত পৰহিলৈ কলকাতাত হ'বলগীয়া ফাইনেলত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব। খেলখন কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত খেলোৱা হ'ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে কালি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০

বাক্সা জিলাৰ ধনশ্ৰীপুৰত আজি এটা স্বেচ্ছাসেৱী সংস্থাই বিশেষ বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰে। এই শিবিৰত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে ৰোগীৰ স্বাস্থ্যপৰীক্ষা কৰি পৰামৰ্শ দিয়ে। এ চি আৰ ডি নামৰ সংস্থাটোৱে পূৰ্বেও এনে ধৰণৰ স্বাস্থ্য শিবিৰ মুকলি কৰি আহিছে।

০০০০০

বৰপেটা ৰোডৰ বিশিষ্ট চিকিৎসক, সাহিত্যিক ডাঃ প্ৰিয়ম্বদা দাসৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। এগৰাকী সুসাহিত্যিক হোৱাৰ উপৰি তেওঁ বৰপেটা ৰোডৰ সমাজ জীৱনৰ এগৰাকী অন্যতম পথ প্ৰদৰ্শক আছিল। তেওঁ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত